# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ৭৬০/২০২০

**নিয়ন্ত্ৰণ ৰেখাৰ উৰি খণ্ডত পাকিস্তানী সেনাবাহিনীয়ে চলোৱা আকস্মিক গোলাবৰ্ষণত নিহত ভাৰতীয় সেনাবাহিনীৰ ৫৯ নং আৰ্টিলেৰী ফৰৱাৰ্ড ৰেজিমেন্টৰ জোৱান হৰধন চন্দ্ৰ ৰায়ৰ মৃত্যুত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ**

## হৰধন চন্দ্ৰ ৰায়ৰ সাহস, ত্যাগ আৰু ৰাষ্ট্ৰৰ প্ৰতি দায়বদ্ধতাৰে আগবঢ়োৱা সেৱাই নতুন প্ৰজন্মক সদায়ে অনুপ্ৰেৰণা যোগাই যাব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৪ নৱেম্বৰ ঃ** কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখাৰ উৰি খণ্ডত পাকিস্তানী সেনাবাহিনীয়ে চলোৱা আকস্মিক গোলাবৰ্ষণত নিহত ভাৰতীয় সেনাবাহিনীৰ ৫৯ নং আৰ্টিলেৰী ফৰৱাৰ্ড ৰেজিমেন্টৰ জোৱান হৰধন চন্দ্ৰ ৰায়ৰ মৃত্যুত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে গভীৰ শোক প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে এই ঘটনাত নিহত হোৱা আন জোৱানসকলৰ প্ৰতিও গভীৰ শোক প্ৰকাশ কৰিছে।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয় যে শ্বহীদ হৰধন চন্দ্ৰ ৰায়ে দেশৰ বৃহত্তৰ স্বাৰ্থত আত্মবলিদান দিলে। দেশৰ একতা, অখণ্ডতা আৰু সাৰ্বভৌমত্ব অক্ষুণ্ণ ৰখাৰ বাবে নিৰ্ভীকতাৰে শ্বহীদগৰাকীয়ে যুঁজ দি দেশপ্ৰেমৰ উজ্জ্বল নিদৰ্শন দেখুৱাই থৈ গ'ল। শ্বহীদ গৰাকীয়ে দেশ মাতৃৰ সুৰক্ষাৰ বাবে যি আদৰ্শ প্ৰদৰ্শন কৰি গ'ল সেয়া দেশৰ প্ৰতিগৰাকী নাগৰিকক দেশৰ বাবে সৰ্বোচ্চ ত্যাগ কৰাৰ মানসিকতাৰে উদ্বুদ্ধ হোৱাৰ বাবে অনুপ্ৰাণিত কৰিব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বীৰ শ্বহীদ গৰাকীৰ সাহস, ত্যাগ আৰু ৰাষ্ট্ৰৰ প্ৰতি দায়বদ্ধতাৰে সেৱা আগবঢ়োৱাৰ বাবে সমগ্ৰ ৰাজ্যবাসী আজি গৌৰৱান্বিত। বীৰ শ্বহীদ গৰাকীৰ কৰ্তব্য নিষ্ঠা, ৰাষ্ট্ৰৰ প্ৰতি আগবঢ়োৱা সেৱা আৰু ত্যাগে সমগ্ৰ ৰাষ্ট্ৰৰ যুৱ প্ৰজন্মক অনুপ্ৰাণিত কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে পাকিস্তানী সেনাবাহিনীয়ে চলোৱা আকস্মিক তথা অপ্ৰৰোচিত আক্ৰমণত নিহত হোৱা অসমৰ ধুবুৰী জিলাৰ ফুটুকীবাৰী মেধিপাৰাৰ জোৱান হৰধন চন্দ্ৰ ৰায়ৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈও গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে, মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ভাৰতীয় সেনাবাহিনীৰ ৫৯ নং আৰ্টিলেৰী ফৰৱাৰ্ড ৰেজিমেন্টৰ জোৱান হৰধন চন্দ্ৰ ৰায়ৰ শেষকৃত্য ৰাষ্ট্ৰীয় মৰ্যাদাৰে সম্পন্ন কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্য সচিবক নিৰ্দেশ দিয়ে।

**পুঃডেঃ**
**১৪/১১/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in
**E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam
cmassam.prcell@gov.in